**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

সুদীৰ্ঘ ৮ বছৰীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতে কালি অভি-নীল হত্যাকাণ্ডত দোষী সাব্যস্ত ২০ জনক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ২০ হাজাৰ টকাকৈ জৰিমনাৰ শাস্তি বিহে। অৱশ্যে আদালতৰ এই ৰায়দানক লৈ অভি-নীলৰ পৰিয়ালৰ লগতে ৰাজ্যৰ বিভিন্ন শ্ৰেণীৰ লোকে অসন্তুষ্টি প্ৰকাশ কৰিছে। নীলোৎপল দাসৰ পিতৃয়ে পৰৱৰ্তী সময়ত অধিবক্তাৰ সৈতে আলোচনা কৰি উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিব বুলি সাংবাদিকৰ আগত জানিবলৈ দিয়ে। উল্লেখযোগ্য যে এই হত্যাকাণ্ডৰ সৈতে মুঠ ৪৮ জন অভিযুক্তৰ নাম সাঙোৰ খাইছিল যদিও তিনিজনক আদালতে প্ৰাপ্তবয়স্ক নোহোৱা বুলি ঘোষণা কৰিছিল। ইয়াৰ পাছত ৪৫ জন অভিযুক্তৰ বিৰুদ্ধে নগাঁও জিলা ছেচন ন্যায়াধীশৰ আদালতত গোচৰ চলে। আদালতে যোৱা ২০ এপ্ৰিলত এই গোচৰৰ ৰায় দান কৰি ২০ জনক দোষী সাব্যস্ত কৰাৰ বিপৰীতে ২৫ জন অভিযুক্তক দোষমুক্ত ঘোষণা কৰে আৰু কালি এই দোষীসকলৰ শাস্তি ঘোষণা কৰা হয়। আদালতে এই গোচৰৰ শুনানি প্ৰক্ৰিয়াত ৭১ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰিছিল।

০০০০০০

বাৰিষাৰ সময়ত সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত কৰে। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত বানৰ সময়ত হ'ব পৰা ক্ষয়-ক্ষতি ৰোধ কৰিবলৈ আগতীয়াকৈ ল'বলগীয়া ব্যৱস্থাৱলী, আশ্ৰয় শিবিৰসমূহৰ প্ৰস্তুতি আৰু জৰুৰীকালীন সাহায্য-সামগ্ৰী বিতৰণৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ বিশদভাৱে আলোচনা কৰা হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে খণ্ড উন্নয়ন বিষয়াসকলক নিজ নিজ এলেকাৰ কৃষি বান্ধ আৰু ৰিং বান্ধসমূহৰ বৰ্তমানৰ স্থিতি সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। আয়ুক্তগৰাকীয়ে লগতে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ বাবে প্ৰয়োজনীয় জিঅ' বেগ মজুত ৰখাৰ বাবে জলসম্পদ বিভাগক আৰু পথৰ কাষৰ নলাসমূহ শীঘ্ৰেই পৰিষ্কাৰ কৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক নিৰ্দেশ দিয়ে। আনহাতে, নগৰাঞ্চলৰ বান সমস্যা সমাধানৰ বাবে টীয়ক, মৰিয়ণি আৰু তিতাবৰ পৌৰসভাক আৱৰ্জনা ব্যৱস্থাপনা ক্ষিপ্ৰ কৰিবলৈও কোৱা হয়। লগতে উন্মুক্ত গাঁতসমূহত বেৰিকেড আৰু সতৰ্কতা ফলক লগাবলৈ নিৰ্দেশ দিয়া হয়। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত বানৰ প্ৰস্তুতি সন্দৰ্ভত সংশ্লিষ্ট বিভাগৰ ন'ডেল বিষয়াসকলৰ এটা আছুতীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

০০০০০০

মাজুলীৰ আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পিতাম্বৰ দেৱগোস্বামীয়ে অহা ৮ জুনত ব্ৰিটিছ সংসদত সত্ৰীয়া কলা-সংস্কৃতিক আকৌ এবাৰ বিশ্বৰ সন্মুখত তুলি ধৰিব। ব্ৰিটিছ সংসদত ৬৫ গৰাকী সাংসদৰ সন্মুখত সত্ৰাধিকাৰগৰাকীয়ে ইংৰাজী ভাষাত অসমৰ কলা-সংস্কৃতি, সত্ৰীয়া নৃত্য, সত্ৰীয়া সংগীত আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদানসমূহত আলোকপাত কৰিব। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে কোনো অসমীয়া সত্ৰাধিকাৰে ব্ৰিটিছ সংসদত ভাষণ দিবলৈ সুযোগ পোৱাৰ বিষয়টোৱে অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্যৰ স্বীকৃতিৰূপে গণ্য কৰা হৈছে। এই সুযোগ লাভ কৰি সত্ৰাধিকাৰ শ্ৰী গোস্বামীয়ে অত্যন্ত গৌৰৱান্বিত অনুভৱ কৰা বুলি প্ৰকাশ কৰিছে।

০০০০০০

জোনাইৰ বেৰাচাপৰিৰ বেৰাঘাট অঞ্চলত চিয়াং নৈৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। যুৱ ছাত্ৰ পৰিষদৰ এটা দলে কালি অঞ্চলটোত উপস্থিত হৈ খহনীয়া প্ৰত্যক্ষ কৰি শীঘ্ৰেই বিজ্ঞানসন্মতভাৱে খহনীয়া প্ৰতিৰোধৰ দাবী জনায়। চিয়াঙৰ খহনীয়াৰ ফলত বিগত সময়ছোৱাত বহু লোকৰ গৃহভূমি, সা-সম্পত্তি, বিস্তৃত কৃষিভূমি আৰু চৰণীয়া পথাৰ নদীৰ বুকুত জাহ গৈছে। বৰ্তমানেও বেৰাচাপৰিত চিয়াং নৈৰ খহনীয়া অব্যাহত আছে। খহনীয়াই ক্ৰমান্বয়ে তীব্ৰ ৰূপ ধাৰণ কৰাত স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে সম্প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে খহনীয়া ৰোধৰ বাবে কিছু ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও সেইসমূহ পৰ্যাপ্ত নহয় বুলি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, জোনাই আঞ্চলিক সমিতি আৰু স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে।

**ৰাইট**

০০০০০০

**সমাপ্ত**